# আইৰ সপোন



যেতিয়ালৈ কেঁচুৱাহৈ
থাকিবি বলহীন
আইৰ বুকুতে হাঁহিমাতি
ৰ'চোন কিছুদিন।

অলপ শ্ৰমে যাওঁ ভাগৰি
জোৰেজোৰে বেমাৰো হয়
তই বোপাটো মোৰ সোনাটো
দেখাত তেনেই ক্ষীণ
আইৰ কোলাতে আচল ধৰি
ৰ'চোন কিছুদিন।



হামখুৰি দিবি কিৰিলি মাৰিবি
খোজে প্ৰতি উজুটি খাবি
এখোজ দুখোজ আগবাঢ়িবি
মোৰেই আঁচল ধৰি।

পুষ্ট হবি বলো হব
হাঁহিমাতৰ কলতানে
পূৰ্ণ কৰি ভৰে ৰাতিদিন
আইৰ বুকুখনত নিৰ্ভয়তে
ৰ'চোন আৰু কিছুদিন।



যেতিয়া তই ডেকাহবি
তেজাল দেহা উচ্ছ্বাসিত প্ৰাণ
যৌৱনৰেই অগনি দাহে
কৰি অগ্নিস্নান

তেতিয়া তোৰ শক্তি হ'ব
বুকু ভৰা সাহ।
দেশ মাতৃকাক বচাবলৈ
কুন্ঠ কাণ্ঠ মাতি কৰি
আহ, আহ জনতা আহ
ওলাই ওলাই আহ।

দুষ্টকৈ তই কৰিবি দমন
নিকা সমাজ গঢ়ি
মানবতাৰ মূল্যবোধৰ
বিজয় কেতন
লৌহ কাণ্ঠৰ বজ্ৰমুষ্টিত ধৰি।

উচ্চনীচৰ ভেদাভেদৰ
ধৰ্মান্ধতা হিংসাদ্বেষৰ
বিচ্ছিন্নতা বৰ্বৰতা ধ্বংস বীজৰ
কৰি অৱসান
সত্য পথত আগুৱাই যাবি
সত্যব্ৰতত উচ্চগত প্ৰান।

# নাৰী শক্তি

আমি সকলোৱে এগৰাকী নাৰী
আমিয়ে কৰিব লাগিব শোষিত, নিষ্পেষিত নাৰীসকলক মুক্তি
তাৰ বাবে ল'ব লাগিব আমি নিত্য নৱ কাৰ্যসূচী
কৰিবই লাগিব নিৰ্যাতিত নাৰীৰ মুক্তি ।
নিৰক্ষৰক কৰিব লাগিব সাক্ষৰ
তেহে হ'ব জীৱন ধন্য আমাৰ
কথা-বতৰা, আচাৰ-ব্যৱহাৰ আৰু সাজপাৰ
হ'ব লাগিব চিৰ উন্নত
সহায় কৰিব লাগিব নাৰীক
আত্ম নিৰ্ভৰ হোৱাত
কৰিব লাগিব সমাধান নাৰীৰ সমস্যা
হ'ব যেই আমাৰ নাৰীৰ সমস্যা
জাতি - ধৰ্ম নিৰ্বিশেষে
গঢ়ি তুলিব লাগিব আত্মীয়তা
সকলোৱে পাব তেহে
সমান স্বাধীনতা
কৰিব লাগিব সকলোৱে
সৰল জীৱন-যাপন
দিব লাগিব সকলোকে
জ্ঞান আৰু সৃষ্টিৰ সন্ধান ।
আনিব লাগিব আমি
দেশৰ পৰিৱৰ্তন
তাৰ বাবে হ'ব লাগিব সকলোৱে
অধিক সচেতন ।



# अपने बराबर कर दो ना

तुमने कहा था हम एक ही हैं तो अपने बराबर कर दो ना
नैपी जब मैं बदलती हूं तो दूध की बोतल भर दो ना
बस यूँ ही एक है एक है करके कहा ज़िंदगी चलती है
कभी तुम भी सर दबा दो मेरा ये भी कमिया खलती है
जब मैं भी आफ़िस जाती हूँ तुम भी घर को संवार दो ना
तुमने कहा था हम एक ही हैं तो अपने बराबर कर दो ना
मत करो वादे जन्मों के इस पल खुशी की वजह दो ना
आओ पास बैठो कुछ बातें करें कभी दिल के ज़ख्म भी भर दो ना
क्यूँ कहना भी पड़ता है ये तुम एहसासो को समझो ना
तुमने कहा था हम एक ही हैं तो अपने बराबर कर दो ना
तुम क्रिकेट भी अपनी देखो और मैं सीरियल अपना लगाऊँगी
थोड़ा हाथ बटा देना मैं जब किचन में जाऊँगी
सब मिलकर साथ करने की हम में ये भी तो क्वालिटी है
हम साथ खड़े है एक दूजे के हल ही जेंडर इक्वालिटी है
तुम भी नए से हो जाओ अब और नयी सी मुझे उमर दो ना
तुमने कहा था हम एक ही हैं बस यूँ ही जीवन बसर हो ना


Sadhana Sharma
B.Com 6th Sem


By Banita Bhowal
B.Com 6th Sem




By:- Binita Bhowal
Bcom 6th sem


COMMERCE DEPARTMENT
DULIAJAN COLLEGE
বাণিজ্য বিভাগ
Search...